দেওবৰীয়া দৈনিক

# অগ্ৰদূত

যোৰহাট, ২০ আগষ্ট, ২০১৭ দেওবাৰ পৃষ্ঠা তিনি

## আমিনগাঁৱৰ তিনিটা মন্দিৰত চুৰি, দুৰ্বৃত্তই উঠাই নিলে দানপাত্ৰ

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৯ আগষ্ট ঃ** সম্প্ৰতি চোৰৰ লক্ষ্য হৈ পৰিছে ৰাজ্যৰ ধৰ্মীয় অনুষ্ঠানসমূহ। এটা দুষ্টচক্ৰই চুৰি কাৰ্যৰ বাবে লক্ষ্য কৰি লৈছে মঠ-মন্দিৰ-মছজিদ-দৰগাহসমূহ। যোৱা নিশা আমিনগাঁৱৰ তিনিটাকৈ মন্দিৰত চুৰি কাৰ্য সংঘটিত কৰে চোৰে। অঞ্চলটোৰ কালী মন্দিৰ, শিৱ মন্দিৰ আৰু শনি মন্দিৰত সংঘটিত কৰে চোৰে এই কাৰ্য। শিৱ মন্দিৰ আৰু কালী মন্দিৰ দানপাত্ৰ ভাঙিব নোৱাৰি চোৰে সেয়া উঠাই নিয়াৰ বিপৰীতে শনি মন্দিৰৰ দানপাত্ৰ আঠ পৃষ্ঠাত চাওক

# তিনি শতাধিক এইছ আই ভি আক্ৰান্ত

## গোলাঘাটত দেহ ব্যৱসায়ৰ বিস্ফোৰক তথ্য ফাদিল কৰিলে মূলসুঁতিলৈ অহা যুৱতীয়ে




মঙলদৈত ব্যৱসায়ীক দুৰ্বৃত্তৰ গুলিত ব্যৱসায়ীৰ মৃত্যুক কেন্দ্ৰ কৰি চিকিৎসালয়ত উত্তপ্ত পৰিস্থিতি।

■ **দিগন্ত কুমাৰ ভূঞা**

**গোলাঘাট, ১৯ আগষ্ট ঃ** গোলাঘাট জিলাত সম্প্ৰতি ভয়ানক ৰূপ ধাৰণ কৰিছে নাৰীদেহ ব্যৱসায়ে। গোলাঘাট নগৰকে ধৰি জিলাখনৰ বিভিন্ন স্থানত কাঠফুলাৰ দৰে বৃদ্ধি পোৱা দেহ ব্যৱসায়ৰ ঘাটিৰ এক ভয়ানক তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। পূৰ্বে এই ব্যৱসায়ত প্ৰত্যক্ষভাৱে জড়িত থকা এগৰাকী দৰিদ্ৰ পৰিয়ালৰ যুৱতীয়ে সম্প্ৰতি জিলাখনত দেহ ব্যৱসায়ী চক্ৰ সক্ৰিয় হৈ থকাৰ অভিযোগ উত্থাপন কৰাৰ লগতে ফাদিল কৰিছে বহু বিস্ফোৰক তথ্য। এই সমগ্ৰ কৰ্মকাণ্ডৰ সন্দৰ্ভত দৰিদ্ৰ পৰিয়ালৰ যুৱতীগৰাকীয়ে স্বইচ্ছাৰে সাংবাদিকৰ আগত বিশদ তথ্য দাঙি ধৰাৰ পাছত সম্প্ৰতি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জীৱন আৰু জীৱিকাৰ তাড়নাত দেহ ব্যৱসায়ৰ দৰে পংকিল পথত খোজ দিবলৈ বাধ্য হোৱা এই যুৱতীগৰাকীয়ে এতিয়া অনুশোচনাত দগ্ধ হৈ পৰিছে। জিলাখনৰ এখন ভিতৰুৱা গাঁৱৰ ২০-২২ বছৰীয়া যুৱতীগৰাকীয়ে কলংকিত অধ্যায় ত্যাগ কৰি মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰি সমগ্ৰ পংকিলতাৰে পৰিপূৰ্ণ ব্যৱসায়টো বন্ধ কৰাৰ আশাৰে সাংবাদিকৰ কাষ চাপিবলৈ বাধ্য হয়। এই যুৱতীগৰাকীয়ে আশা কৰিছে সমাজখনত ছানি ধৰা এনে নাৰীদেহৰ ব্যৱসায় শীঘ্ৰে বন্ধ হওঁক। উল্লেখ্য যে সমগ্ৰ গোলাঘাট জিলাতে সম্প্ৰতি নাৰীদেহৰ ব্যৱসায়ীৰ ৰমৰমীয়া আঠ পৃষ্ঠাত চাওক

## অংশুমিতা ডেকালৈ ইউৰোপীয় সংঘৰ জলপানি



**গুৱাহাটী, ১৯ আগষ্ট ঃ** ইউৰোপীয় সংঘৰ দ্বাৰা অনুমোদিত সন্মানীয় 'ইৰাছামাছ মুণ্ডুছ জইণ্ট মাষ্টাৰ্ছ ডিগ্ৰী (ই এম জে এম ডি) প্ৰগ্ৰাম' জলপানিৰ বাবে অসমৰ মেধাৱী ছাত্ৰী অংশুমিতা ডেকা নিৰ্বাচিত হৈছে। কে'বাখনো আন্তঃৰাষ্ট্ৰীয় উচ্চ শিক্ষানুষ্ঠানে যুটীয়াভাৱে আগবঢ়োৱা এই জলপানি তথা আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে বিভিন্ন দেশৰ মুঠ ১৬ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বাছনি কৰা হয়। উল্লেখযোগ্য যে এই অধ্যয়ন কাৰ্যসূচীৰ বাবে এই বছৰ ভাৰতৰ পৰা একমাত্ৰ অংশুমিতা ডেকা নিৰ্বাচিত হৈছে। সেই সূত্ৰে তেওঁ ২০১৭-১৯ লৈ প্ৰথমে অষ্ট্ৰিয়াৰ ছলজবাৰ্গত থকা পেৰিছ-লণ্ডন বিশ্ববিদ্যালয় আৰু পৰৱৰ্তী পৰ্যায়ত ডেনমাৰ্কৰ কোপেনহেগেনৰ আলব'ৰ্গ বিশ্ববিদ্যালয়ত 'ডিজিটেল কমিউনিকেছন লীডাৰশ্বিপ' বিষয়ক দুবছৰীয়া স্নাতকোত্তৰ ডিগ্ৰী পাঠ্যক্ৰমত অধ্যয়নৰ সুযোগ লাভ কৰিছে। তেওঁ অলপতে বাংগালুৰুৰ খ্ৰাইষ্ট বিশ্ববিদ্যালয়ৰ পৰা কম্পিউটাৰ ছায়েন্সত ডিষ্টিংছনসহ প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। অংশুমিতা ডেকা নগাঁও জিলাৰ বাৰপূজীয়া ৰজাগাঁও নিবাসী অসীম কুমাৰ ডেকা আৰু শুচিব্ৰতা ডেকাৰ কন্যা।

## উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত অসম আন্দোলনত গুলিবিদ্ধ প্ৰাণকৃষ্ণ পাঠক

### দুয়োটা বৃক্ক বিকল হৈ দিশহাৰা হৈ পৰিছে পৰিয়াল

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নলবাৰী/টিহু, ১৯ আগষ্ট ঃ** ১৪ ফেব্ৰুৱাৰী, ১৯৮৩। অবৈধ নিৰ্বাচন বন্ধ কৰিবলৈ গৈ নিৰাপত্তাৰক্ষীৰ হাতত ছহিদ হৈছিল চাৰিজনকৈ আন্দোলনকাৰী। আনহাতে, গুলিবিদ্ধ হৈ কথমপি প্ৰাণৰক্ষা পৰিছিল টিহুৰ জলখানা গাঁৱৰ কঁঠালমূৰা চুবুৰি নিবাসী প্ৰাণকৃষ্ণ পাঠক। বিদেশী বহিষ্কাৰৰ উদ্দেশ্যে ৰাজ্যজুৰি গঢ়ি উঠা জুয়ে পোৱা অসম আন্দোলনৰ নেতা তথা আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি গুলিবিদ্ধ হোৱা পাঠক সম্প্ৰতি বৃক্কৰ জটিল ৰোগত আক্ৰান্ত। কিন্তু এসময়ৰ অসম আঠ পৃষ্ঠাত চাওক

## শাখাৰ কৰ্মচাৰী জড়িত থকাৰ সন্দেহ

## কলগাছিয়াত এছ বি আইৰ একাউণ্টৰ পৰা সৰকালে ১.৫৯ লাখ

**অগ্ৰদূত বাৰ্তা**

**কলগাছিয়া, ১৯ আগষ্ট ঃ** সম্প্ৰতি বেংকত নিজৰ কষ্টোপাৰ্জিত জমা থোৱা ধন হৰলুকিৰ ঘটনাই এতিয়া ভবাই তুলিছে গ্ৰাহকক। গুৱাহাটীৰ ইণ্ডাছইণ্ড বেংক কাণ্ডৰ পাছত এইবাৰ বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত ভাৰতীয় ষ্টেট বেংকৰ কলগাছিয়া শাখাৰ এজন গ্ৰাহকৰ একাউণ্টৰ পৰা উইথড্ৰল ফৰ্মেৰে দুৰ্বৃত্তই টকা হৰলুকি কৰা ঘটনা পোহৰলৈ আহিছে। কলগাছিয়াৰ গুনিয়ালগুৰি গাঁৱৰ হবিবৰ ৰহমান নামৰ ভাৰতীয় ষ্টেট বেংকৰ কলগাছিয়া শাখাৰ গ্ৰাহকজনৰ ৩১২১১৮১৮৭৪৪ নম্বৰ একাউণ্টৰ পৰা যোৱা ন আৰু ১০ আগষ্টত আঠ পৃষ্ঠাত চাওক

## নৱোদয়ৰ ৰেগিঙত জড়িত ১০ অভিযুক্তক নিলম্বিত

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৯ আগষ্ট ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী বঞ্চাইধামত অৱস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত সহপাঠীৰ দ্বাৰা ৰেগিঙৰ সন্মুখীন হৈ নিৰ্যাতন ভোগা ছাত্ৰৰ অভিভাৱক আৰু ছাত্ৰ সংগঠনৰ অভিযোগৰ পাছত সৰৱ হৈছে বিদ্যালয় কৰ্তৃপক্ষ। উল্লেখ্য যে দ্বাদশ শ্ৰেণীৰ ছাত্ৰ এজনক যোৱা ছয় আঠ পৃষ্ঠাত চাওক

## প্ৰলয়ংকৰী বানত ক্ষতি নগাঁৱৰ ১৩ বিশুদ্ধ খোৱাপানী আঁচনিৰ

### ১৫ জলসিঞ্চন আঁচনিৰ বিস্তৰ ক্ষতিসাধন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ আগষ্ট ঃ** কলংমুখৰ হাতীমূৰা বান্ধটো ভগাৰ ফলত হোৱা প্ৰলয়ংকৰী বানে নগাঁও জিলাৰ কলিয়াবৰ আৰু নগাঁও মহকুমাত ঘটোৱা ব্যাপক ক্ষয়ক্ষতিৰ এতিয়াও বিতং তথ্য প্ৰকাশ কৰিব পৰা নাই নগাঁও জিলা প্ৰশাসনে। আজি নগাঁও জিলা প্ৰশাসনে প্ৰকাশ কৰা তথ্য মতে, উক্ত মথাউৰিটো ভগাৰ ফলত কলিয়াবৰ মহকুমাৰ ১৩খন বিশুদ্ধ খোৱাপানী যোগান আঁচনি আৰু ১১খন জলসিঞ্চন আঁচনি ক্ষতিগ্ৰস্ত হৈছে। উক্ত খোৱাপানী যোগান আঁচনিকেইখন হৈছে জখলাবন্ধা, মাধটাৰী, সৰুভগীয়া, নিজপূবথৰীয়া, কুৰৰীটোল, বৰভগীয়া, আঠ পৃষ্ঠাত চাওক

## চিকিৎসাধীন কিশোৰীৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

### চৰকাৰী চিকিৎসকে ব্যক্তিগত চিকিৎসালয়ত অস্ত্ৰোপচাৰ কৰাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৯ আগষ্ট ঃ** চিকিৎসকৰ অৱহেলাৰ বাবে আজি এগৰাকী কিশোৰী ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি তেজপুৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। যাৰ ফলত আৰক্ষীয়ে তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ অধীক্ষকক আটক কৰে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এজন চিকিৎসকে ধনৰ লোভত ব্যক্তিগত চিকিৎসালয়ত কিশোৰীগৰাকীক অস্ত্ৰোপচাৰ কৰা সত্বেও অৱহেলাৰ ফলত ৰোগীৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে তেজপুৰ চহৰৰ বি জে হাস্পতাল নামৰ ব্যক্তিগত চিকিৎসালয়খনত অস্ত্ৰোপচাৰ কৰাৰ পাছত অৱস্থা সংকটজনক হোৱা বিশ্বনাথ চাৰিআলিৰ ৰাজন্তি মাহালী (১৭)ৰ আজি গুৱাহাটীলৈ নিয়াৰ পথত মৃত্যু হয়। আঠ পৃষ্ঠাত চাওক



তেজপুৰত উদ্ধাৰ হোৱা শৰ পহু, শনিবাৰে।

## পৰিত্যক্ত অৱস্থাত পোছাক-বেগ উদ্ধাৰ

### বকোত বোমাৰ সন্দেহত আতংকৰ সৃষ্টি

**বকো, ১৯ আগষ্ট ঃ** কামৰূপ জিলাৰ বকোত বোমাৰ আতংকই আজি সমগ্ৰ অঞ্চলকে আতংকিত কৰি তোলে। পথৰ দাঁতিত জংঘলৰ পৰা উদ্ধাৰ হোৱা এটা কাৰ্টনৰ বাবে আজি অঞ্চলটোৰ ৰাইজৰ লগতে আৰক্ষী-প্ৰশাসনকো ব্যতিব্যস্ত কৰি তোলে। ইয়াৰ উপৰি অঞ্চলটোৰ পৰা বিভিন্ন পোছাক-বেগ আদি উদ্ধাৰ হোৱা ঘটনায়ো বিষয়টোক অধিক জটিল কৰি তুলিছে।

উল্লেখ্য যে বকোৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত শিংৰা শালনীৰ মাজত কোনো লোকে এটা কাৰ্টনত বোমা সদৃশ গাড়ীৰ যন্ত্ৰাংশ পেলাই গৈছিল। আজি বন বিভাগৰ একাংশ শ্ৰমিকে উক্ত কাৰ্টনটো উদ্ধাৰ কৰে। বন বিভাগৰ তৰফৰ পৰা জংঘল পৰিষ্কাৰ কৰিবলৈ একাংশ শ্ৰমিক নিয়োগ কৰা হৈছিল। এই শ্ৰমিকসকলে কাৰ্টনটো প্ৰত্যক্ষ কৰি আঠ পৃষ্ঠাত চাওক

## সন্ত্ৰাসবাদৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান বড়ো সাহিত্য সভাৰ সভাপতিৰ

### বিনেশ্বৰ ব্ৰহ্মৰ সপ্তদশ মৃত্যুবাৰ্ষিকী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৯ আগষ্ট ঃ** শান্তি অবিহনে উন্নয়ন অসম্ভৱ বুলি সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলোকে মাৰ বান্ধি থিয় হ'বলৈ আহ্বান জনালে বড়ো সাহিত্য সভাৰ সভাপতি তোৰেণ বড়োৱে। আজি কোকৰাঝাৰত আয়োজিত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিনেশ্বৰ ব্ৰহ্মৰ সপ্তদশ মৃত্যুবাৰ্ষিকীত ভাষণ প্ৰসংগত সভাপতি বড়োৱে কয় যে যিকোনো ঠাইতে উন্নয়নৰ বাবে শান্তি লাগিবই। কিয়নো শান্তিৰ অবিহনে কেতিয়াও উন্নয়ন হ'ব নোৱাৰে। সেয়ে বড়ো অধ্যুষিত অঞ্চলৰ লোকসকলেও সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব। উল্লেখ্য যে ২০০০ৰ ১৯ আগষ্টত দুষ্কৃতিকাৰীৰ গুলিত নিহত হৈছিল বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আঠ পৃষ্ঠাত চাওক

## কৃষকৰ আয় বৃদ্ধিৰ বাবে বিকল্প ব্যৱস্থাৰ প্ৰয়োজন আছে ঃ বৰা

### বিশ্ব মৌমাখি দিৱস

**গুৱাহাটী, ১৯ আগষ্ট ঃ** ৰাজ্যৰ কৃষিখণ্ডৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত কৃষকৰ আয় বৃদ্ধিৰ প্ৰাসংগিকতা সৰ্বপ্ৰথম। মৌমাখি পালনৰ দৰে বিকল্প কৃষি ব্যৱস্থাই কৃষি উৎপাদন বৃদ্ধিৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰতো প্ৰত্যক্ষভাৱে সহায় কৰে। সেয়েহে বিজ্ঞানসন্মত আঠ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত 'ৰিচ আউট এণ্ড ৰেচপণ্ড সঁহাৰি' অনুষ্ঠানত মুখ্যমন্ত্ৰী

## দিব্যাংগসকল জটিল পৰিস্থিতিৰ মাজতো উজ্বলাৰ শক্তিৰ অধিকাৰী

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**ডিব্ৰুগড়, ১৯ আগষ্ট ঃ** 'দিব্যাংগসকল জটিল পৰিস্থিতিৰ মাজতো জিলিকি উঠাৰ প্ৰবল ইচ্ছা শক্তিৰ অধিকাৰী'। আজি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অসম ৰাজ্যিক ন্যায়িক সেৱা কৰ্তৃপক্ষই ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহযোগত আয়োজন কৰা সাতদিনীয়া 'ৰিচ আউট এণ্ড ৰেচপণ্ড-সঁহাৰি' অনুষ্ঠানৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে এই দিব্যাংগসকলক সকলো দিশতে উৎসাহিত কৰাটো সমাজৰ সকলো শ্ৰেণীৰ লোকৰ এক নৈতিক দায়িত্ব বুলিও দোহাৰে। সমাজৰ সকলো শ্ৰেণীকে মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহৰ বাবে সবল কৰি তুলি দেশৰ আঠ পৃষ্ঠাত চাওক

## বিষাক্ত ছিটা প্ৰয়োগ কৰি গাঁও পঞ্চায়তৰ সভাপতিক হত্যাৰ চেষ্টা

### ভুৱা চিকিৎসকৰ কাণ্ডত চাঞ্চল্য

**সোণতলী, ১৯ আগষ্ট ঃ** এজন ভুৱা চিকিৎসকসহ ছজন লোকে কামৰূপ জিলাৰ ছয়গাঁও বিধানসভা সমষ্টিৰ ভাউৰীয়াভিঠা গাঁও পঞ্চায়তৰ সভাপতিক বিষাক্ত ছিটা প্ৰয়োগ কৰি হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। কথমপি প্ৰাণৰক্ষা পৰা ছিৰাজুল হক নামৰ গাঁও পঞ্চায়তৰ সভাপতিজনে আজি উক্ত ছজন লোকৰ বিৰুদ্ধে অভিযোগ তুলি জোৰশিমুলী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এই ঘটনাই সম্প্ৰতি সমগ্ৰ অঞ্চলতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

গাঁও পঞ্চায়তৰ সভাপতিজনে দাখিল কৰা অভিযোগ অনুসৰি আজি পুৱা প্ৰায় ১১ বজাত ভাউৰীয়াভিঠা হাবেজ উদ্দিন গাঁওবুঢ়াৰ পুত্ৰ তথা চিকিৎসক ইমৰান হুছেইনে বিশেষ কাম থকাৰ অজুহাতত তেওঁক পঞ্চায়ত কাৰ্যালয়ৰ পৰা নিজৰ ফাৰ্মাচীলৈ মাতি নিয়ে।

## বড়ো ভূমিত বসবাস কৰা আদিবাসীৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ সেৱা সমিতিৰ

### জুহা হত্যাকাণ্ডৰ উচ্চপৰ্যায়ৰ তদন্ত দাবী

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৯ আগষ্ট ঃ** বড়ো ভূমিত বাস কৰা আদিবাসীসকলৰ বিৰুদ্ধে ধাৰাবাহিক আৰু পৰিকল্পিতভাৱে ষড়যন্ত্ৰ কৰি জনগোষ্ঠীটোৰ একাংশ লোকক এটা বিশেষ জনগোষ্ঠীৰ দুৰ্বৃত্তই হত্যা কৰাৰ অভিযোগ কৰিছে আদিবাসী সেৱা সমিতিয়ে। আজি এক বিবৃতিত আদিবাসী সেৱা সমিতিৰ কোকৰাঝাৰ জিলাৰ সাধাৰণ সম্পাদক ললিত হেমব্ৰমে যোৱা ১৬ আগষ্টত জুহা হাছদা নামৰ লোকজনক দুষ্কৃতিকাৰীয়ে হানি-খুঁচি নৃশংসভাৱে হত্যা কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি এইদৰে অভিযোগ কৰে। বিবৃতিটোত আদিবাসীৰ ওপৰত ধাৰাবাহিক আৰু পৰিকল্পিতভাৱে অন্যায়-অত্যাচাৰ কৰাই নহয়, প্ৰতি বছৰে বাছি বাছি আদিবাসী লোকক হত্যা কৰা আঠ পৃষ্ঠাত চাওক

## পতঞ্জলি মেগা ফুডৰ কোম্পানীৰ কৰ্মচাৰীৰ শিশু অপহৰণৰ অপচেষ্টা

### বিশ্বনাথ চাৰিআলিত তীব্ৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ আগষ্ট ঃ** তেজপুৰৰ ঘোঁৰামাৰীস্থিত নিৰ্মীয়মান পতঞ্জলি মেগা ফুড পাৰ্কত বন্যহস্তীৰ মৃত্যুৰ ঘটনাত সংবাদপত্ৰত শিৰোনাম দখল কৰা বিতৰ্কিত ঠিকাদাৰ উদয় আদিত্য গোস্বামীৰ মালিকনাধীন নিৰ্মাণ প্ৰতিষ্ঠানৰ এজন কৰ্মচাৰীয়ে যোৱা নিশা এটি শিশুক অপহৰণৰ চেষ্টা চলোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বিশ্বনাথ চাৰিআলিত। নিৰ্মাণ সংস্থা 'এছ এম চি কোম্পানী'ৰ পথ নিৰ্মাণৰ কামত কৰ্মৰত লাকী বাৰ্লা নামৰ কৰ্মচাৰীজনে যোৱা নিশা অন্ধকাৰৰ সুযোগ লৈ বিশ্বনাথ বৰকুৰাৰ এটি ছবছৰীয়া শিশুক অপহৰণৰ চেষ্টা চলায়। বিশ্বনাথ চাৰিআলিৰ পাভৈৰ পৰা বিশ্বনাথ ঘাটলৈ বৰ্তমান আঠ পৃষ্ঠাত চাওক

## কলগাছিয়াত এজন লোকৰ গৰমত মৃত্যুৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**কলগাছিয়া, ১৯ আগষ্ট ঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আমতলা গাঁৱত আজি এজন লোকৰ ৰহস্যজনক স্থিতিত মৃত্যু হয়। প্ৰচণ্ড গৰমতে জাভেদ মিঞা নামৰ লোকজনৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে প্ৰখৰ ৰ'দত পথত ঢলি পৰাৰ কিছু সময়ৰ পাছতে লোকজনৰ মৃত্যু হয়। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে, লোকজন আঠ পৃষ্ঠাত চাওক

## ডিমৌৰ নিতাই পথত দেখা গ'ল কৰুণ দৃশ্য

## চিকিৎসালয়ৰ পৰা আঠ কিলোমিটাৰ ঠেলাত কঢ়িয়ালে মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৯ আগষ্ট ঃ** আজি পুৱাই ব্যস্তাতাপূৰ্ণ ডিমৌ নিতাইপথৰ এক কৰুণ দৃশ্যই অঞ্চলটোৰ ৰাইজক ব্যথিত কৰি তোলে। গাড়ীৰ অভাৱত এজন লোকৰ মৃতদেহ পৰিয়ালৰ লোকে ঠেলাৰে কঢ়িয়াই নিয়া দৃশ্যটো প্ৰত্যক্ষ কৰা সকলোকে স্তম্ভিত কৰি তুলিছিল। ড° হিমন্তবিশ্ব শৰ্মাৰ স্বাস্থ্য বিভাগে বিভিন্ন অভিলাষী আঁচনিৰে ঢাক-ঢোল বজাই থকাৰ সময়তে আজিৰ এই দৃশ্য অতি দুৰ্ভাগ্যজনক আঠ পৃষ্ঠাত চাওক



## দুই পুত্ৰ-বোৱাৰীয়ে ডিঙি ৰেপি হত্যা কৰিলে বৃদ্ধক

### ডবকাত পাৰিবাৰিক কন্দলৰ পৰিণতি

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৯ আগষ্ট ঃ** নিজ ঔৰসজাত দুই পুত্ৰ তথা বোৱাৰীয়ে মিলি এজন বৃদ্ধক ডিঙি ৰেপি হত্যা কৰা ঘটনাই হোজাই জিলাৰ ডবকাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা নিশা ডবকাৰ পৰা ১২ কিলোমিটাৰ দূৰত্বৰ হোজাই-কাৰ্বি আংলং সীমান্তৱৰ্তী আকাশীগংগাৰ পাঞ্চআলি গাঁৱত এই নৃশংস হত্যাকাণ্ড সংঘটিত হয়। নিশা শুই থকা অৱস্থাতে মহম্মদ আলী আঠ পৃষ্ঠাত চাওক

GNRC
Quality • Value • Trust
স্বাস্থ্য-বাৰ্তা

আপোনাৰ চহৰত
জিএনআৰচিৰ অ'পিডি সেৱা

২১ আগষ্ট
উবেৰ হেল্‌থ এণ্ড ৰিচাৰ্ছ চেণ্টাৰ, বৰপেটা
ডাঃ বিপ্লৱ পল (হৃদ্‌ৰোগ বিশেষজ্ঞ)
MD, DM

২২ আগষ্ট
সঞ্জীৱনী মেডিকেল হল, মৰিগাঁও
ডাঃ দেৱ কুমাৰ বৰগোঁহাই (স্নায়ুশল্য বিশেষজ্ঞ)
MS, MCh

২৩ আগষ্ট
মডাৰ্ণ মেডিক'জ, বৰপেটাৰোড
ডাঃ বিবেকানন্দ লাহন (স্নায়ুৰোগ বিভাগ)
MBBS, DPM
ডাঃ পাৰভেজ বি চৌধুৰী (মেডিচিন বিশেষজ্ঞ)
MBBS, MD (Medicine)

যোগাযোগৰ নম্বৰ
9864269322, 9864020550

info@gnrchospitals.com www.gnrchospitals.com